
ড° পৰীক্ষিত হাজৰিকা
ব্যক্তি আৰু ব্যক্তিত্বৰ সুবাস
Purbayon
Publication
ড° পৰীক্ষিত হাজৰিকা ব্যক্তি আৰু ব্যক্তিত্বৰ সুবাস
ড° পৰীক্ষিত হাজৰিকা
ব্যক্তি আৰু ব্যক্তিত্বৰ সুবাস
সম্পাদনা ড° মঞ্জুশ্ৰী ভট্টাচাৰ্যী, সীমান্ত দাস

**Dr. Parikshit Hazarika : Byakti Aru Byaktitar Subash**
A Collection of articles on life and achievement of Dr. Parikshit Hazarika edited by Dr Manjusri Bhattacharjee and Simanta Das,
Published by Purbayon Publication, Guwahati-14, Assam
**Email- purbayonindia21@gmail.com**
Edition: December, 2017
Rs. 320/-
ISBN- 978-93-87263-08-6

# ড° পৰীক্ষিত হাজৰিকা ঃ ব্যক্তি আৰু ব্যক্তিত্বৰ সুবাস

**প্ৰথম প্ৰকাশঃ**
ডিচেম্বৰ , ২০১৭

**গ্ৰন্থস্বত্বঃ**
সম্পাদকদ্বয়

**মূল্যঃ** ৩২০ টকা

**বেটুপাতঃ**
সঞ্জীৱ বৰা

---

**প্ৰকাশকঃ**
**পূৰ্বায়ণ প্ৰকাশন**
সাতমাইল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত
গুৱাহাটী-১৪ , অসম
Email- purbayonindia21@gmail.com
Website- purbayon.com
✆ ৯৮৬৪৪২২১৫৭

তেত্ৰিশ বছৰ আগৰ এটা সম্পাদকীয়ৰ আঁত ধৰি— প্ৰসঙ্গ ড° পৰীক্ষিত হাজৰিকা ছাৰ /৫২
✍ লক্ষ্মীকান্ত মজিন্দাৰ বৰুৱা
আন্তৰিক অভিনন্দন /৫৫
✍ নবীন চন্দ্ৰ কেওট
অধ্যাপক ড°পৰীক্ষিত হাজৰিকা স্বনামধন্য সু-সাহিত্যিক সামাজিক প্ৰতিপদে /৫৭
✍ ভবেন্দ্ৰনাথ কাকতি
পিতৃস্বৰূপ ড° পৰীক্ষিত হাজৰিকা ছাৰ /৫৯
✍ খগেন্দ্ৰ নাথ চেতিয়া ফুকন
শ্ৰদ্ধেয় ড° পৰীক্ষিত হাজৰিকা ছাৰৰ সান্নিধ্য— এটি মিঠা অনুভূতি /৬৪
✍ ড° ৰবীন্দ্ৰ নাথ দাস
বন্ধুবৰ ড° পৰীক্ষিত হাজৰিকালৈ ওলগনি /৬৭
✍ সুনীল কুমাৰ বৰঠাকুৰ
মান্যবৰ ! আপোনাক প্ৰণাম /৬৯
(ড° পৰীক্ষিত হাজৰিকা সমীপেষু)
✍ ড° পাৰুল চৌধুৰী
কৰ্মই কীৰ্তিৰ কাৰক /৭২
✍ মৌৰাম দাস
বহুদিনৰ অপেক্ষাৰ পাছত লগ পোৱা ব্যক্তিজন /৭৫
✍ শৈলেন্দ্ৰ চন্দ্ৰ কলিতা
জীৱন ঃ আনন্দ-অশ্ৰুৰ অপূৰ্ব যুগলবন্দী /৭৯
✍ শচীন দাস
মোৰ দৃষ্টিত ড° পৰীক্ষিত হাজৰিকা /৮৮
✍ ধীৰেন্দ্ৰ নাথ দাস
অধ্যাপক ড° পৰীক্ষিত হাজৰিকা /৮৯
✍ অৰ্পন শইকীয়া
আপোন মানুহ ড° পৰীক্ষিত হাজৰিকা /৯০
✍ ড° লিলি ৰাজবংশী
নেদেখাজনৰ বিষয়ে /৯২
✍ খগেন্দ্ৰ দাস
**Dr. Parikshit Hazarika-as I know him** /৯৫
✍ Dr. Rukmi Dutta
শ্ৰী শ্ৰী পৰীক্ষিত হাজৰিকা চাৰৰ চৰণত শ্ৰদ্ধাৰে... /৯৬
গুৰুব্ৰহ্মা...
✍ ময়ূৰী শৰ্মা গোস্বামী
Being Nostalgic With Three Villages /৯৮
✍ Jonali Borah
প্ৰজ্ঞাৰ সাধক ড°পৰীক্ষিত হাজৰিকা ছাৰ /১০৮
✍ ড° হৰিপ্ৰসাদ বৰুৱা

**তৃতীয় অধ্যায় ঃ**
গৱেষক আৰু ছাত্ৰৰ দৃষ্টিত

শ্ৰদ্ধেয় ড° পৰীক্ষিত হাজৰিকা মহোদয়েষু পত্ৰমিদং সংস্মৰণাত্মকম্ /১১০
✍ ড° মহেশ্বৰ হাজৰিকা
অধ্যাপক পৰীক্ষিত হাজৰিকাঃ ব্যক্তিত্বৰ কেইটিমান দিশ /১২
✍ ড° বিমল চন্দ্ৰ মজুমদাৰ
মোৰ শিক্ষাগুৰু আৰু গৱেষণাগুৰু অধ্যাপক ড° পৰীক্ষিত হাজৰিকা /১২৫
✍ ড° মুকুল চক্ৰৱৰ্তী
মোৰ গৱেষণাৰ গুৰু ড° পৰীক্ষিত হাজৰিকা ছাৰ /১৩২
✍ ড° মঞ্জুশ্ৰী ভট্টাচাৰ্যী
ড° পৰীক্ষিত হাজৰিকা ছাৰঃ স্মৃতি আৰু কৃতি /১৩৯
✍ বাসন্তী তালুকদাৰ
সান্নিধ্যৰ অমিয়া পৰশ /১৪৩
✍ ড° কমল ঠাকুৰীয়া
চৰ্যাপদৰ স্ৰষ্টা—
ড° পৰীক্ষিত হাজৰিকা ছাৰৰ সান্নিধ্য আৰু সোঁৱৰণ /১৪৫
✍ ড° কমল চন্দ্ৰ নাথ
সান্নিধ্যৰ অমিয় প্ৰেৰণা /১৫০
✍ ড° মণিৰাম কলিতা
প্ৰচাৰ বিমুখ ড° পৰীক্ষিত হাজৰিকা ছাৰ /১৫৩
✍ বনজিৎ তহবিলদাৰ

# প্ৰজ্ঞাৰ সাধক ড° পৰীক্ষিত হাজৰিকা ছাৰ

ড° হৰিপ্ৰসাদ বৰুৱা*

চলিত শতিকাৰ আৰম্ভণি বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ গৈ যি কেইগৰাকী শিক্ষাগুৰুৰ আশিস্ লাভ কৰি ধন্য হ'লো তেওঁলোকৰ মাজৰে এজন ড° পৰীক্ষিত হাজৰিকা ছাৰ। সঠিক দিন বাৰ মনত নাই, ২০০০ চনৰ প্ৰথম ভাগতেই প্ৰথমবাৰৰ বাবে এদিন শ্ৰেণীকক্ষত লগ পাইছিলোঁ ছাৰক এটি অন্যান্য গম্ভীৰ আৰু সৰল বাক্‌ভংগীৰে অসমীয়া সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন' চৰ্য্যাপদৰ বিষয়ে ছাৰে কৈ গৈছিল এটাৰ পিছত আন এটা কথা। চৰ্যাপদবোৰ প্ৰাচীন অসম আৰু অসমীয়া জাতিৰ ঐতিহ্য বাহক অমূল্য সম্পদ। এইবিধ সম্পদৰ লগত ছাৰৰ নিবিড় সম্পৰ্ক স্থাপন হৈছিল — সেই কথা পাছত লাহে লাহে বুজি উঠিছিলোঁ। কেতিয়াবা বিষয়ৰ ব্যাপ্তিৰ ধাৰণা দিবলৈকে ছাৰে আমাক লৈ গৈছিল এহেজাৰ বছৰীয়া পুৰণি অসমীয়া সমাজখনলৈ। মদ বেচোঁতা শুড়ীৰ প্ৰসঙ্গ ওলাঁওতে তদানীন্তন গুৱাহাটীৰ সমাজ এখনৰ কথা উল্লেখ কৰিছিল। ছাৰে চৰ্যাৰ পাঠোদ্ধাৰ কৰা কালত কিদৰে মূল পাঠত 'ৱ'ৰ অৱস্থিতি নিৰ্ণয় কৰিছিল সেই কথাও আমাক কৈছিল এনেবোৰ আলোচনাত জাতীয়তাবোধৰ প্ৰসঙ্গও ওলাইছিল। ছাৰৰ প্ৰশ্ন কৰাৰ ধৰণ আনতকৈ বেলেগ। কাৰণ ছাৰৰ দৃষ্টিভংগী সুকীয়া। ছাৰে অসম সাহিত্য সভাৰ-প্ৰথম গৰাকী সভাপতিৰ নাম জনাৰ লগতে প্ৰথম গৰাকী সম্পাদকৰ নামটোও জনাটো বিচাৰে। লগে লগে দ্বিতীয় আৰু তৃতীয় গৰাকীৰ নামো। সেয়ে প্ৰশ্নও হয় তেনে ৰূপৰে। এদিনাখন শ্ৰেণীত দিল্লী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগ কিদৰে প্ৰতিষ্ঠা হ'ল তাৰ ইতিহাস তুলি ধৰিছিল। সিদিনা গম পাইছিলো ছাৰ এসময়ত ৰাজপত্ৰিত বিষয়া হৈ দিল্লীত আছিল আৰু

---

* সহকাৰী অধ্যাপক, লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়, ঢেকিয়াজুলি।
ফোনঃ ৯৮৬৪২-০১৪৯২